بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৫ ডিচেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, বিগত খোতবাত হজৰত কাআব বিন মালিক (ৰাঃ) আৰু কিছুমান আন আন চাহাবা যিসকল তবুকৰ যুদ্ধত পিছুৱাই থাকিছিল তেওঁলোকৰ ওপৰত আঁহজৰত (ছাঃ)য়ে খং কৰিছিল বুলি উল্লেখ হৈ আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই উপলক্ষে জামাতক উপদেশ দি কৈছে যে হাদীছসমূহত পোৱা যায় যে তিনিজন মোমিনেও তবুকৰ যুদ্ধত অংশগ্ৰহণ কৰা নাছিল; ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া তেওঁলোকৰ পৰা পৃথকতা অৱলম্বন কৰিবলৈ আদেশ দিছিল, তেতিয়া মক্কাৰ বাসিন্দা সকলৰ কোনোবাৰ তেওঁলোকৰ সৈতে কথা-বতৰা পাতিবলৈ সাহস হোৱা নাছিল। তেখেত (ৰাঃ)য়ে কৈছে যে ইয়াত অৰ্থাৎ কাদিয়ানত যেতিয়া আমি দেখিবলৈ পাও যে যিসকল লোকৰ লগত শাস্তি হিচাপে কথা-বতৰা পাতিবলৈ নিষেধাজ্ঞা কৰা হৈছে, তেওঁলোকে আহমদী সকলৰ ঘৰলৈ যায় আৰু চুবুৰীয়াৰ মানুহে গোপনে শুই থাকে; তেওঁলোকে এই কথা গম নাপায় যে মদিনাত কোনো কপটাচাৰীয়েও শাস্তিপ্ৰাপ্ত লোকৰ সৈতে কথা পাতিব নোৱাৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে ১৯৩৬ চনত কিছুমান দেশদ্ৰোহী সৃষ্টি হৈছিল যাৰ বাবে তেখেত (ৰাঃ)য়ে এই কথা কৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এঠাইত কৈছে কাআব বিন মালিকৰ ঘটনাটো শিক্ষণীয়, তেওঁ সকলোবোৰ যুদ্ধতে আঁহজৰত (ছাঃ)ৰ লগত আছিল, মক্কা বিজয়ৰ সময়তো লগতে আছিল কিন্তু

তবুকৰ যুদ্ধত অলসতাৰ বাবে পিছত ৰৈ গৈছিল। নবী কৰিম (ছাঃ)য়ে তেওঁক কঠোৰ শাস্তি দিছিল। কিন্তু হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে কৈছে যে আজিকালিৰ মানুহ এনেকুৱা যে যেতিয়া কোনো প্ৰশ্ন কৰা হয় বা উত্তৰদায়ী তলব কৰা হয় তেতিয়া কয় যে আমাৰ সেৱাৰ প্ৰতি গুৰুত্ব দিয়া নাই আৰু আমাৰ সন্মানৰ প্ৰতি গুৰুত্ব দিয়া নাই। মনত ৰখা উচিত যে ব্যৱস্থাপনা বেলেগ বস্তু আৰু কাম কৰা বেলেগ বস্তু। ব্যৱস্থাপনা বজাই ৰাখিবলৈ যিয়ে ভুল কৰে তেওঁক সোধ-পোছ কৰা হয়, সি যিয়েই নহওক কিয়; গতিকে খোদাৰ আজ্ঞা পালন কৰি ধৰ্মৰ স্বাৰ্থত এনেকুৱা প্ৰচেষ্টা কৰক যাৰ ফলত চয়তান পলায়ন কৰে, কিন্তু কৰ্ম সেই উদ্দেশ্যে নকৰিবা যাতে তোমাৰ প্ৰশংসা কৰা হয়; কৰ্ম কৰি এই ধাৰণা নকৰিবা যে আমাৰ ভুলৰ বাবে আমাক সোধ-পোছ কৰা নহ'ব। খোদাৰ ওপৰত অনুগ্ৰহ কৰিছা বুলি নেভাৱিবা, আৰু সন্মান লাভ কৰাৰ বাবে কাম নকৰিবা। সকলো প্ৰকাৰে ইছলামৰ সেৱা কৰা। অনুগ্ৰহৰ কথা নাভাৱি সেৱা কৰা; এনেধৰণৰ উৎসাহ সৃষ্টি হোৱা উচিত যিটোৱে আল্লাহক সন্তুষ্ট কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে তবুকৰ যুদ্ধৰ যাত্ৰা ইমানেই প্ৰজ্ঞাময় আৰু কল্যাণময় প্ৰমাণিত হৈছিল যে গোটেই আৰবত মুছলমান সকলৰ প্ৰতি ভীতি সৃষ্টি হৈ গৈছিল; আৰু কম সময়ৰ ভিতৰতে গোটেই আৰবত ইছলামৰ পতাকা উত্তোলণ হৈছিল। এই বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে তবুকৰ পৰা উভতি অহা সময়তো লোকসকলে আনুগত্য স্বীকাৰ কৰিছিল। ইয়াৰ পিছত আৰবৰ বিভিন্ন গোত্ৰসমূহেও ক্ৰমে আহি ইছলামী শাসনৰ অন্তৰ্ভুক্ত হোৱাৰ অনুমতি বিচাৰিছিল, গোটেই আৰবত ইছলামৰ পতাকা উত্তোলণ হৈছিল।

উভতি অহাৰ সময়ত এটা অভিযান হৈছিল যাক খালিদ বিন অলিদ অভিযান বুলি কোৱা হয়। নাজৰানৰ এটা অংশ বনু হাৰিছৰ ফালে ৰাওনা কৰা হৈছিল। এটা বৰ্ণনা অনুসৰি এই অভিযান ৰবিউল আউৱাল মাহৰ ১০ হিজৰী তাৰিখত সংঘটিত হৈছিল। এই অভিযানৰ বাবে যাত্ৰা কৰা সময়ত ৰছুলে কৰিম (ছাঃ)য়ে খালিদ বিন অলিদ (ৰাঃ)ক নিৰ্দেশনা দিছিল যে সেই জনগোষ্ঠীৰ ওপৰত আক্ৰমণ কৰাৰ আগতেই তিনিবাৰ তেওঁলোকক ইছলামৰ ফালে আহ্বান জনাবা। যদি তেওঁলোকে ইছলাম গ্ৰহণ নকৰে তেতিয়া তেওঁলোকৰ সৈতে যুদ্ধ কৰিবা। হজৰত খালিদ (ৰাঃ)য়ে সেই আজ্ঞা পালন কৰিছিল যাৰ ফলত সকলোৱে মুছলমান হৈ গৈছিল। হজৰত খালিদ (ৰাঃ)য়ে এটা চিঠি ৰছুলে কৰিম (ছাঃ)লৈ প্ৰেৰণ কৰিছিল য'ত লিখা আছিল যে আপোনাৰ আজ্ঞা অনুসৰি আমি ইছলামৰ পয়গাম দিছো যাৰ ফলতে তেওঁলোক সকলোৱে ইছলাম গ্ৰহণ কৰিছে। মই তেওঁলোকৰ তাতে অৱস্থান কৰি আছো আৰু ধৰ্মৰ নীতি-নিয়মৰ বিষয়ে অৱগত কৰি আছো। এতিয়া আপোনাৰ ফালৰ পৰা যি আদেশ পাম সেই অনুসৰি কাম কৰিম। আঁহজৰত (ছাঃ)য়ে সেই চিঠিৰ উত্তৰত কৈছিল যে তোমাৰ চিঠিৰ জৰিয়তে জানিব পাৰিছো যে বনু হাৰিছে ইছলাম গ্ৰহণ কৰিছে। গতিকে তুমি তেওঁলোকক খোদাৰ পৰা কল্যাণৰ শুভসংবাদ দিয়া আৰু খোদাৰ শাস্তিৰ বিষয়ে সতৰ্ক কৰা আৰু তেওঁলোকৰ কেইজনক লগত লৈ মোৰ ওচৰলৈ অহা। হজৰত খালিদ (ৰাঃ)য়ে তেওঁলোকৰ মাজৰ কিছুমান লোকক লৈ হুজুৰ (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল।

আঁহজৰত (ছাঃ)য়ে কায়েছ বিন হুছেইনক বনু হাৰিছৰ আমিৰ নিযুক্ত কৰিছিল আৰু শ্বৱাল বা

জিলকাআদা মাহৰ শেষত তেওঁক উভতাই লৈ আহিছিল। তেওঁ উভতি অহাৰ চাৰি মাহ পিছত হুজুৰ (ছাঃ)ৰ মৃত্যু হৈছিল।

আঁহজৰত (ছাঃ)ৰ অন্তিম যুদ্ধ আছিল তবুকৰ যুদ্ধ, আৰু শেষ অভিযানত যাক আঁহজৰত (ছাঃ)য়ে ৰাওনা কৰিছিল সেয়া আছিল উছামাৰ নেতৃত্বত সেনা। উছামাৰ সেনা বাহিনী গৈ পোৱাৰ আগতে এদল সেনা বাহিনী পঠিওৱা হৈছিল। এই সন্দৰ্ভত বুখাৰীত হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত যে নবী কৰিম (ছাঃ)য়ে লোকসকলক হজৰত জায়েদ (ৰাঃ), হজৰত জাফৰ (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন ৰাৱাহা (ৰাঃ)ৰ শ্বাহাদতৰ সংবাদ দিছিল; সেই সময়ত তেখেত (ছাঃ)ৰ চকুৰ পৰা অশ্রু নিৰ্গত হৈ আছিল। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে আল্লাহৰ তৰোৱালৰ মাজৰ এটা তৰোৱাল খালিদ বিন অলিদে ইছলামৰ পতাকা চম্ভালিছে, আল্লাহ তা'লাই তেওঁৰ জৰিয়তে মুছলমান সকলক বিজয় প্ৰদান কৰিছিল।

হুজ্জাতুল বিদাআ (অন্তিম হজ্)ৰ পৰা উভতি যেতিয়া তেখেত (ছাঃ) মদিনা পাইছিল সেই সময়ত মুছলমান সকলৰ বাবে দক্ষিণ ফালৰ পৰা কোনো ধৰণৰ ভয় নাছিল, কিন্তু উত্তৰ দিশৰ পৰা ৰোমবাসীসকলৰ পক্ষৰ পৰা ভয় আছিল, কাৰণ তাত থকা খ্ৰীষ্টান সকলে নিজৰ শক্তিৰ বাবে গৌৰৱ কৰি আছিল, সেয়ে যিকোনো সময়তে তেওঁলোকৰ ফালৰ পৰা আক্ৰমণ হোৱাৰ ভয় আছিল। এইদৰে মুতাৰ যুদ্ধৰ শ্বহীদ সকলৰ প্ৰতিশোধ লোৱাটোও বাকী আছিল। কাৰণ এই যুদ্ধত হজৰত খালিদ (ৰাঃ)ৰ দক্ষতাৰ বাবে মুছলমান সকলৰ সেনা বাহিনী মদিনালৈ অহাত সফল হৈছিল। হজ্বৰ পৰা উভতি অহাৰ বেছি দিন অতিবাহিত নহওতেই তেখেত (ছাঃ)য়ে হজৰত উছামা বিন জায়েদ (ৰাঃ)ৰ নেতৃত্বত এদল সেনা বাহিনী ছিৰিয়াত আক্ৰমণৰ বাবে আদেশ দিছিল।

হুজুৰ (ছাঃ) অসুস্থ হোৱাৰ আগতেই এই সেনা বাহিনীৰ প্ৰস্তুতি চলি আছিল। তেখেত (ছাঃ)ৰ মৃত্যুৰ দুদিন আগতে শনিবাৰ দিনা এই যুদ্ধ সম্পূৰ্ণ হৈছিল। তেখেত (ছাঃ)য়ে ছফৰ মাহৰ শেষত ৰোমী সকলৰ সৈতে যুদ্ধ কৰাৰ আদেশ দিছিল; সেই সময়ত হজৰত উছামা (ৰাঃ)ক মাতি কৈছিল যে নিজৰ পিতৃৰ শ্বাহাদতগাহৰ ফালে ৰাওনা হোৱা আৰু তেওঁলোকক অৰ্থাৎ শত্ৰুসকলক মোহাৰি পেলোৱা; মই তোমাক সেই সেনাসকলৰ আমিৰ নিযুক্ত কৰিছোঁ। হজৰত উছামাই আঁহজৰত (ছাঃ)ৰ হাতৰ দ্বাৰা বান্ধা হোৱা পতাকাখন লৈ ৰাওনা হৈ সেই পতাকাখন হজৰত বৰিদাহ বিন হুছেইব (ৰাঃ)ৰ অধীন কৰি জৰীফ নামৰ ঠাইত সেনা বাহিনীক একগোট কৰে। জৰীফ মদিনাৰ পৰা তিনি কি:মি: দূৰত্বত অৱস্থিত এখন ঠাই। মুহাজিৰ আৰু আনছাৰসকলৰ সন্মানীয় সকলৰ প্ৰায় সকলোৱে এই যুদ্ধত অংশগ্ৰহণ কৰিছিল যিসকলৰ মাজত হজৰত আবু বক্কৰ (ৰাঃ), হজৰত উমৰ (ৰাঃ) ইত্যাদিয়ে অংশগ্ৰহণ কৰিছিল। এইসকলো প্ৰখ্যাত চাহাবাৰ মাজৰ পৰা হজৰত উছামা (ৰাঃ)ক আমিৰ নিযুক্ত কৰিছিল। লোকসকলে এই কথা লৈ সমালোচনা কৰিব ধৰিলে যে ইমান মহান চাহাবা থকা সত্ত্বেও এজন ল'ৰাক আমিৰ নিযুক্ত কৰিছে। এই সংবাদ যেতিয়া হুজুৰ (ছাঃ)লৈ গৈ পায় তেতিয়া তেখেত (ছাঃ)য়ে বৰ খং প্ৰকাশ কৰি মেম্বাৰত থিয় হৈ লোকসকলক সম্বোধন কৰি হজৰত উছামা (ৰাঃ) আৰু তেখেতৰ পিতৃ আৰু হজৰত জায়েদ (ৰাঃ)ৰ বিষয়ে অতি উৎকৃষ্ট কথা কলে। এফালে তেখেত (ছাঃ) অসুস্থ হৈ আছিল আনফালে তেখেত (ছাঃ)য়ে উছামাৰ সেনা বাহিনী ৰাওনা হ'বলৈ জোৰ দি আছিল। ৰবিবাৰ দিনা উছামা (ৰাঃ)য়ে উভতি আহি জৰীফ নামৰ ঠাইত তেখেত

(ছাঃ)ৰ সৈতে সাক্ষাৎ কৰিবলৈ উপস্থিত হৈছিল। তেখেত (ছাঃ)য়ে তেতিয়া কথা পাতিবলৈ সক্ষম নাছিল কিন্তু দুয়োটা হাত আকাশৰ ফালে উঠাই উছামা (ৰাঃ)ৰ মূৰৰ ওপৰত ৰাখি দোৱা কৰিছিল। সোমবাৰ দিনা তেখেত (ছাঃ)ৰ শাৰীৰিক অৱস্থা কিছু পৰিমাণে ভাল হৈছিল, তেতিয়া হজৰত উছামা (ৰাঃ)ক কৈছিল যে আল্লাহ তা'লাৰ আশীৰ্বাদ লৈ ৰাওনা হোৱা, ইয়াৰ পিছত উছামা (ৰাঃ)য়ে সেনাসকলৰ ওচৰলৈ আহি ৰাওনা হোৱাৰ নিৰ্দেশ প্ৰদান কৰে। হুজুৰ (ছাঃ)ৰ হজৰত উছামাক দিয়া সেইটো আছিল শেষ মুহূৰ্তৰ পয়গাম। তেখেত (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ), হজৰত উমৰ (ৰাঃ) আদি চাহাবাসকলক লগত লৈ উভতি আহিছিল তেতিয়া তেখেত (ছাঃ)ৰ অৱস্থা নিৰাশাজনক আছিল। ক্ষন্তেক সময় পিছতেই তেখেত (ছাঃ)ৰ মৃত্যু হৈছিল।

হজৰত উছামা (ৰাঃ)ৰ সেনাসকলে হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাতত বয়াতৰ পিছত ৰাওনা হৈছিল। সেনাসকলৰ সংখ্যা আছিল তিনি হাজাৰ, যাৰ মাজত এহেজাৰ আছিল অশ্বাৰোহী। এই সেনাসকলে সফলতাৰ সৈতে উভতি আহিছিল। কিছুমান শত্ৰু মৃত্যু হৈছিল আৰু কিছুমান বন্দী হৈছিল। মুছলমান সকলৰ কোনো ক্ষতি হোৱা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এই যুদ্ধৰ কথা অন্ত পৰিল। পৰৱৰ্তীত জীৱনীৰ আন কিছুমান দিশ চাব লাগিব। ইনশ্বা আল্লাহ চাই ল'ম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াত মাননীয় আজিজুৰ ৰহমান খালিদ চাহাব মুৰববী ছিলছিলা আৰু মাননীয় ইধি হামিদী চাহাব ইণ্ডোনেচীয়াৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু প্ৰয়াত দুজনৰ মাগফিৰাত আৰু মৰ্যাদা উন্নীতৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 5 DEC 2025**

## BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................

........................................................................................................................

........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB